**শ্ৰীযুত ফজলুৰ ৰহমান আৰু অন্যান্য**

***বনাম***

**উত্তৰ প্ৰদেশ চৰকাৰ আৰু অন্যান্য**

**১৬ ছেপ্টেম্বৰ, ১৯৯৯**

**[মুখ্য ন্যায়াধীশ ড° এ. এচ. আনন্দ, ন্যায়াধীশ ৰাজেন্দ্ৰ বাবু আৰু ন্যায়াধীশ আৰ. চি. লাহতী]**

*তদন্ত আয়োগ আইন, ১৯৫২:*

*ধাৰা ৩(৪) – মীৰাট সংঘৰ্ষৰ ওপৰত পাৰেখ তদন্ত প্ৰতিবেদন – আয়োগে কোনো নিৰ্দিষ্ট ব্যক্তিক সংঘৰ্ষৰ বাবে দায়ী বুলি চিনাক্ত কৰা নাই অথবা কোনো বিষয়াই কৰ্তব্য অৱহেলা কৰা বুলি জৱাবদিহী কৰা নাই – চহৰখনত ধৰ্মীয় আৰু ৰাজনৈতিক ঐক্য বজাই ৰাখিবলৈ তথা কোনো নিৰ্দিষ্ট শ্ৰেণী বা সম্প্ৰদায়ক উত্তেজিত কৰাটো বাধা দিয়াৰ উদ্দেশ্যে ৰাজ্যিক মন্ত্ৰীসভাৰ দ্বাৰা কোনো পৰৱৰ্তী পদক্ষেপ গ্ৰহণ নকৰাৰ সিদ্ধান্ত – ৰায় দিয়া হ'ল যে প্ৰতিবেদনখন নথিভুক্ত হ'ব লাগে।*

*তদন্ত আয়োগ প্ৰতিবেদন – প্ৰায় এক দশকতকৈও বেছি সময় ৰাজ্য চৰকাৰৰ নিষ্ক্ৰিয়তা – ৰায় দিয়া হ'ল যে প্ৰতিবেদনখনৰ ওপৰত যিমান তৎপৰতাৰে প্ৰতিক্ৰিয়া অহাৰ আশা আছিল, তেনে নহ'ল – এয়া সুস্থ প্ৰৱণতা নহয় আৰু এই বিলম্বই বিলম্বৰ উদ্দেশ্যৰ ওপৰত হ'ব পৰা পৰিহাৰসাধ্য সন্দেহৰ পৰিমাণ বৃদ্ধি কৰে – ইমান দীঘলীয়া সময়ৰ নিষ্ক্ৰিয়তাৰ পৰিপ্ৰেক্ষিতত তদন্ত আয়োগ আইন, ১৯৫২-ৰ অধীনত তদন্ত আয়োগ গঠনৰ উদ্দেশ্যটোৰেই নিষ্ফল কৰে – যেতিয়া কোনো 'নিশ্চিত ৰাজহুৱা গুৰুত্ব'*

*থকা বিষয়ত তদন্ত আয়োগ আইন, ১৯৫২-ৰ অধীনত এখন তদন্ত আয়োগ গঠিত হয়, তেতিয়া ৰাজ্য চৰকাৰে সেই প্ৰতিবেদন শীঘ্ৰে পৰীক্ষণ কৰা আৰু সেই প্ৰতিবেদনৰ ভিত্তিত কোনো পদক্ষেপ গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱাৰ প্ৰয়োজনীয়তা থাকিলে তৎক্ষণাৎ সেয়া গ্ৰহণ কৰাটো যথাযথ - আদেশৰ এখন প্ৰতিলিপি ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ মুখ্য সচিবলৈ পৰ্যবেক্ষণসমূহ সকলো ৰাজ্য চৰকাৰ/কেন্দ্ৰীয় শাসিত অঞ্চলৰ দৃষ্টিগোচৰ কৰিবলৈ অনুৰোধ কৰি প্ৰেৰণ কৰা হ'ব।*

দেৱানী মূল ক্ষেত্ৰাধিকাৰ: ১৯৮৪-ৰ লেখ আবেদন (দেৱানী) সংখ্যা ১১৭৪২-৪৪।

(ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ৩২-ৰ অধীনত)

আবেদনকাৰীসকলৰ হৈ মুশ্বাৰফ চৌধুৰী আৰু পি. এইচ. পাৰেখ।

উত্তৰদাতাসকলৰ হৈ এ. বি. ৰহটাগী আৰু আৰ. বি. মিশ্ৰ।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিল :

আমাৰ ১৯৯৮-ৰ ১৪ অক্টোবৰ তাৰিখৰ আদেশটো এই আদেশৰ অংশ হিচাপে গণ্য কৰা হ'ব।

উত্তৰ প্ৰদেশ চৰকাৰৰ গৃহ বিভাগৰ সচিব শ্ৰীযুত এন. ৰবি শংকৰে ১৯৯৮-ৰ ৮ ডিচেম্বৰ তাৰিখৰ এখন হলফনামা এই আদালতত ১৯৯৮-ৰ ১১ ডিচেম্বৰ তাৰিখে দাখিল কৰিছে। হলফনামাখনৰ সৈতে তেওঁ ন্যায়াধীশ চি. ডি. পাৰেখ আয়োগৰ প্ৰতিবেদনৰ সাৰাংশও দাখিল কৰিছে। হলফনামাখনৰ পৰা এয়া দেখা যায় যে ১৯৮২ চনৰ ছেপ্টেম্বৰ মাহত মীৰাটত সংঘটিত হোৱা সংঘৰ্ষ সম্পৰ্কত ১৯৮৮ চনতে দাখিল

কৰা পাৰেখ আয়োগৰ প্ৰতিবেদনখন ৰাজ্যিক মন্ত্ৰীসভাই বিবেচনা কৰিছিল আৰু ইয়াৰ দ্বাৰা নিম্নলিখিত সিদ্ধান্তসমূহ গ্ৰহণ কৰা হৈছিল।

(i) তদন্ত আয়োগ আইন, ১৯৫২-ৰ ধাৰা ৩(৪)-ৰ বিধিসমূহৰ সৈতে সংগতি ৰাখি আয়োগৰ প্ৰতিবেদন সদনৰ মজিয়াত উপস্থাপন কৰা হ'ব।

(ii) ২০.৯.১৯৮২ তাৰিখৰ ঘটনা সম্পৰ্কীয় প্ৰতিবেদনখন ৰাজ্য চৰকাৰে ১৯৮৮ চনৰ নৱেম্বৰত প্ৰাপ্ত কৰিছিল। তেতিয়াৰ পৰা এতিয়ালৈকে পূৰ্বৰ কোনো চৰকাৰে কোনো সিদ্ধান্ত গ্ৰহণ কৰাটো প্ৰয়োজনীয় বুলি বিবেচনা নকৰিলে। আয়োগে কোনো নিৰ্দিষ্ট ব্যক্তিক দায়ী বুলি বিবেচনা কৰা নাছিল আৰু স্থানীয় প্ৰশাসনে বহুতো ঠাইত সংঘৰ্ষ নিয়ন্ত্ৰণ কৰিবলৈ কোনো বিচক্ষণীয় সিদ্ধান্ত গ্ৰহণ কৰা নাছিল বুলি ই মতামত প্ৰকাশ কৰিছিল যদিও ই কোনো নিৰ্দিষ্ট বিষয়াক শাস্তি বিহাৰ পৰামৰ্শ প্ৰদান কৰা নাছিল। মীৰাট চহৰত বৰ্তমানৰ চৰকাৰে প্ৰতিষ্ঠা কৰা ধৰ্মীয় আৰু ৰাজনৈতিক ঐক্য বজাই ৰাখিবলৈ তথা কোনো নিৰ্দিষ্ট শ্ৰেণী বা সম্প্ৰদায়ক উত্তেজিত কৰাটো বাধা দিয়াৰ উদ্দেশ্যে আয়োগৰ প্ৰতিবেদন ওপৰত কোনো পদক্ষেপ গ্ৰহণ কৰাটো জনস্বাৰ্থৰ হকে সুবিধাজনক বুলি বিবেচিত নহ'ল।

(iii) আয়োগৰ প্ৰতিবেদনখন নাকচ কৰা হ'ল আৰু ইয়াক নথিভুক্ত কৰিবলৈ প্ৰেৰণ কৰা হ'ল।

এয়া দেখা গৈছে যে 'মীৰাট চহৰত বৰ্তমানৰ চৰকাৰে প্ৰতিষ্ঠা কৰা ধৰ্মীয় আৰু ৰাজনৈতিক ঐক্য বজাই ৰাখিবলৈ তথা কোনো নিৰ্দিষ্ট শ্ৰেণী বা সম্প্ৰদায়ক উত্তেজিত কৰাটো বাধা দিয়া'ৰ উদ্দেশ্যে ৰাজ্যিক মন্ত্ৰীসভাই পাৰেখ আয়োগ প্ৰতিবেদনখন, যিখনে

নিজেই সংঘৰ্ষৰ বাবে কোনো নিৰ্দিষ্ট ব্যক্তিক দায়ী বুলি চিনাক্ত কৰা নাই তথা কোনো বিষয়াই কৰ্তব্য অৱহেলা কৰা বুলি জৱাবদিহী কৰা নাই, তাৰ ভিত্তিত কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। যিহেতু ৰাজ্য চৰকাৰে প্ৰতিবেদনখন বিবেচনা কৰি এটা সিদ্ধান্ত গ্ৰহণ কৰিছে, সেয়ে এই লেখ আবেদনখন আৰু বিবেচনা কৰাৰ প্ৰয়োজন নাই আৰু আমি এইখন নথিভুক্ত কৰিবলৈ প্ৰেৰণ কৰা নিৰ্দেশ প্ৰদান কৰিছো।

কিন্তু এই গোচৰটো শেষ কৰাৰ আগতে আমি ৰাজ্যসমূহৰ দ্বাৰা তদন্ত আয়োগৰ প্ৰতিবেদনসমূহ কেনেদৰে ব্যৱহাৰ কৰা হৈছে, সেই সম্পৰ্কে আমাৰ ক্ষোভ প্ৰকাশ কৰিবলৈ বিচাৰিছো। এই ক্ষেত্ৰত উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ এগৰাকীৰ নেতৃত্বত গঠিত আয়োগৰ প্ৰতিবেদনখন বিবেচনা কৰিবলৈ ৰাজ্য চৰকাৰৰ এক দশকতকৈও অধিক সময় লাগিছে। ইমান দীঘলীয়া সময়ৰ নিষ্ক্ৰিয়তাৰ পৰিপ্ৰেক্ষিতত তদন্ত আয়োগ আইন, ১৯৫২-ৰ অধীনত তদন্ত আয়োগ গঠনৰ উদ্দেশ্যটোৱেই নিষ্ফল কৰে আৰু এনে আয়োগসমূহ কেৱল প্ৰতাৰণাৰ বাবে গঠিত হোৱা যুক্তিটোৱে বিশ্বাসযোগ্যতা লাভ কৰে।

যেতিয়া কোনো 'নিশ্চিত ৰাজহুৱা গুৰুত্ব' থকা বিষয়ত তদন্ত আয়োগ আইন, ১৯৫২-ৰ অধীনত এখন তদন্ত আয়োগ গঠিত হয়, তেতিয়া ৰাজ্য চৰকাৰে সেই প্ৰতিবেদন শীঘ্ৰে পৰীক্ষণ কৰা আৰু সেই প্ৰতিবেদনৰ ভিত্তিত কোনো পদক্ষেপ গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱাৰ প্ৰয়োজনীয়তা থাকিলে তৎক্ষণাৎ সেয়া গ্ৰহণ কৰাটো যথাযথ। কোনো প্ৰতিবেদন বছৰ-বছৰ ধৰি আৰু এই ক্ষেত্ৰত এক দশকৰ বাবে অমীমাংসিত হৈ থকাটোৱে কাকো লাভান্বিত নকৰে। তদন্ত আয়োগৰ প্ৰতিবেদনত বছৰ-বছৰ ধৰি ধূলি জমা হ'বলৈ দিয়া উচিত নহয় যিহেতু ই এনে আয়োগৰ উপযোগিতাৰ ওপৰত বিৰোপ প্ৰতিফলন ঘটায় আৰু এই সমস্ত অনুশীলনটোৰ বিশ্বাসযোগ্যতাৰ ওপৰত প্ৰভাৱ পেলায়।

আমি এই তথ্যৰ বিষয়ে অৱগত যে এই নির্দিষ্ট গোচৰটোত, ১৯৮২ চনৰ ছেপ্টেম্বৰ মাহত সংঘটিত সংঘৰ্ষৰ সময়ৰ পৰা মন্ত্ৰীসভাৰ দ্বাৰা ১৯৮৮ চনত গৃহীত চূড়ান্ত সিদ্ধান্তটোৰ মাজত উত্তৰ প্ৰদেশ ৰাজ্যত কেইবাখনো চৰকাৰ সলনি হৈছে। তৎসত্বেও সত্যটো হৈছে যে যিমান তৎপৰতাৰে প্ৰতিক্ৰিয়া অহাৰ আশা কৰা হৈছিল, তেনে নহ'ল। এয়া সুস্থ প্ৰৱণতা নহয় আৰু এই বিলম্বই বিলম্বৰ উদ্দেশ্যৰ ওপৰত হ'ব পৰা পৰিহাৰসাধ্য সন্দেহৰ পৰিমাণ বৃদ্ধি কৰে। এয়া পৰিহাৰ কৰাই শ্ৰেয়। আমি আশা কৰো যাতে আমি কোনো অন্য গোচৰৰ কোনো পৰিস্থিতিত এনেকৈ ক'বলগীয়া নহয়।

এই আদেশৰ এখন প্ৰতিলিপি ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ গৃহ সচিবলৈ ওপৰোক্ত পৰ্যবেক্ষণসমূহ সকলো ৰাজ্য চৰকাৰ/কেন্দ্ৰীয় শাসিত অঞ্চলৰ দৃষ্টিগোচৰ কৰিবলৈ অনুৰোধ কৰি প্ৰেৰণ কৰা হ'ব।

আৰ.পি. আবেদনসমূহ নিষ্পত্তি কৰা হ'ল।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the

English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)